দেশ

বার্ড ফ্লুৰ আশংকাত নামাক্কালৰ কণী ৰপ্তানিত মন্দাৱস্থা

বার্ড ফ্লুৰ আশংকাত সংযুক্ত আৰব আমিৰশ্বাহী, ওমান আৰু দক্ষিণ আফ্রিকাৰ আমদানিকাৰীয়ে নামাক্কালৰ কণীৰ অর্ডাৰ বাতিল কৰিছে। উৎপাদন ব্যয় উলিওৱাটোও কঠিন হৈ পৰিছে ব্যৱসায়ীসকলৰ বাবে।

প্রকাশ: ১৮ নৱেম্বৰ ২০২৬, নিশা ৭:৪৬



(Social media)

নামাক্কাল, ১৮ নৱেম্বৰ: বার্ড ফ্লুৰ প্রভাৱত তামিলনাড়ুৰ নামাক্কালৰ কণী উদ্যোগত গভীৰ সংকটৰ সৃষ্টি হৈছে। ভাৰতৰ অন্যতম বৃহৎ পোল্ট্রী উৎপাদন কেন্দ্র হিচাপে পৰিচিত নামাক্কালৰ পৰা কণী আমদানিৰ অর্ডাৰ বাতিল কৰিছে কেইবাখনো দেশৰ আমদানিকাৰীয়ে।

সংযুক্ত আৰব আমিৰশ্বাহী, ওমান আৰু দক্ষিণ আফ্রিকাৰ আমদানিকাৰীয়ে পূর্বে দিয়া কণীৰ অর্ডাৰ বাতিল কৰিছে। নামাক্কালত বার্ড ফ্লু বিয়পি পৰাৰ খবৰ ওলোৱাৰ পাছতে বিভিন্ন দেশে অঞ্চলটোৰ পৰা কণী আমদানি কৰিবলৈ অনিচ্ছা প্রকাশ কৰিছে বুলি জানিব পৰা গৈছে।

ইয়াৰ ফলত কণী ৰপ্তানি ব্যৱসায়ত ব্যাপক প্রভাৱ পৰিছে আৰু স্থানীয় পোল্ট্রী ব্যৱসায়ীসকলৰ বাবে উৎপাদন ব্যয় উলিওৱাটোও কঠিন হৈ পৰিছে।

প্রায় ছমাহ পূর্বে নামাক্কালৰ পৰা প্রতিমাহে প্রায় ২৫ কোটি কণী বিদেশলৈ ৰপ্তানি কৰা হৈছিল। হৰমুজ প্রণালীৰ

সমস্যাৰ ফলত ৰপ্তানিৰ পৰিমাণ কমি ১৫ কোটি কণী হৈছিল। বৰ্তমান এই পৰিমাণো আধাতকৈ কম হৈছে বুলি প্ৰকাশ পাইছে।

নামাক্কালত এহাজাৰৰো অধিক পোল্ট্ৰী ফাৰ্ম আছে। এই ফাৰ্মসমূহৰ পৰা দৈনিক প্ৰায় ৬ কোটি কণী উৎপাদন হয়। শীতকালত কেক প্ৰস্তুত কৰাৰ বাবে কণীৰ চাহিদা বৃদ্ধি পোৱাৰ সময়তে ৰপ্তানি হ্ৰাস পোৱাত ব্যৱসায়ীসকলৰ উদ্বেগ বাঢ়িছে।

পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে পোল্ট্ৰী ফাৰ্মসমূহ বীজাণুমুক্ত কৰা, বাহিৰৰ লোকৰ প্ৰৱেশ নিয়ন্ত্ৰণ কৰা আৰু মুৰ্গীৰ খাদ্য আগতীয়াকৈ বীজাণুমুক্ত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে ব্যৱসায়ীসকলে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4271/namakkal-bad-flu-knee-ptani